# আমেৰিকা যুক্তৰাষ্ট্ৰৰ আগশাৰীৰ পেছাদাৰী সকলৰ সৈতে প্ৰধানমন্ত্ৰীৰ বাৰ্তালাপ

জুন 24, 2023

1. প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে 23 জুন, 2023 তাৰিখে ৱাশ্বিংটন ডি.চি.ৰ জন এফ. কেনেডি চেণ্টাৰত আমেৰিকা যুক্তৰাষ্ট্ৰত পেছাদাৰী সকলৰ এক সমাৱেশত ভাষণ দিছিল।

2. অনুষ্ঠানটো আমেৰিকা যুক্তৰাষ্ট্ৰ – ইণ্ডিয়া ষ্ট্ৰেটেজিক পাৰ্টনাৰশ্বিপ ফ'ৰাম (USISPF)ৰ দ্বাৰা আয়োজিত কৰা হৈছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাজ্যিক সচিব মহামহিম শ্ৰীযুত এণ্টনি ব্লিঙ্কেনো এই অনুষ্ঠানত উপস্থিত আছিল।

3. ভাষণত প্ৰধানমন্ত্ৰীয়ে ভাৰতত বৰ্তমান চলি থকা গভীৰ পৰিৱৰ্তন আৰু বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি অহা পদক্ষেপৰ কথা উল্লেখ কৰে। "এই মুহূৰ্ত"ৰ ওপৰত জোৰ দি প্ৰধানমন্ত্ৰীয়ে পেছাদাৰী সকলক ভাৰতৰ সৈতে অংশীদাৰীত্ব গঢ়ি তুলিবলৈ আমন্ত্ৰণ জনায়।

4. অনুষ্ঠানটোত বিভিন্ন ক্ষেত্ৰৰ পৰা অহা প্ৰায় 1000 আগশাৰীৰ পেছাদাৰ উপস্থিত আছিল।

**ৱাশ্বিংটন ডি.চি.**
**জুন 23, 2023**